# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 19-NOV-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ২১ সংখ্যক কিস্তি মুকলি কৰে। এই আঁচনিৰ অধীনত সমগ্ৰ দেশৰ ৯ কোটি কৃষকৰ বাবে ১৮ হাজাৰ কোটিৰো অধিক ধন মোকলাই দিয়া হৈছে। ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই আজি বোকাখাত সমজিলাৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এই অনুষ্ঠানত অংশ লয়। অনুষ্ঠানত কৃষি বিভাগৰ বহুকেইগৰাকী বিষয়াও উপস্থিত থাকে।

দৰং জিলাতো কৃষি বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। তদুপৰি পাথৰিঘাট, দলগাঁও, ৰামহৰি, সৰাবাৰী কৃষি উন্নয়ন বিষয়া কাৰ্যালয় তথা প্ৰতিখন গাঁও পঞ্চায়তেতে এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। জিলাখনৰ ৮৬ হাজাৰ ৬৪০ গৰাকী হিতাধিকাৰীয়ে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰযোগে এই কিস্তিৰ ধন লাভ কৰিছে।

উল্লেখযোগ্য যে কৃষি কৰ্মৰ বাবে প্ৰয়োজনীয় সা-সামগ্ৰী ক্ৰয় কৰি কৃষকসকলক বিজ্ঞানসন্মত পদ্ধতিৰে আয় বৃদ্ধিত সহায়ক হোৱাকৈ ২০১৯ চনত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ ৰূপায়ণ কৰা হৈছিল। এই আঁচনিৰ অধীনত যোগ্য কৃষকসকলক দুহেজাৰ টকাকৈ তিনিটা কিস্তিত বছৰি ৬ হেজাৰ টকা আগবঢ়োৱা হয়। এই আঁচনিৰ ২১ সংখ্যক কিস্তিৰ অধীনত অসমে ৩৬৩ কোটি টকা লাভ কৰিছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ১৮ লাখ ১৮ হাজাৰ কৃষক উপকৃত হ'ব।

ooooo

অসমৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ জৰিয়তে বহিঃৰাজ্যৰ পৰা অহা লোকেও অসমৰ ভোটাৰ তালিকাত নামভৰ্তি কৰিব পাৰিব বুলি একাংশ সংবাদ পত্ৰত প্ৰকাশিত বাতৰি শুদ্ধ নহয় বুলি ৰাজ্যৰ নিৰ্বাচন বিভাগে স্পষ্ট কৰি দিছে। আজি প্ৰকাশ কৰা এখন বিজ্ঞপ্তিত ৰাজ্যৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই কয়, যে দীৰ্ঘকালৰ বাবে বসবাস কৰাৰ অভিপ্ৰায়েৰে আহি সাধাৰণভাৱে অসমত বসবাস কৰি থকা ব্যক্তিয়েহে ৮ নম্বৰ প্ৰপত্ৰৰ জৰিয়তে অসমৰ কোনো ভোটগ্ৰহণ কেন্দ্ৰলৈ নাম স্থানান্তৰৰ বাবে আবেদন কৰিব পাৰিব। নিৰ্দিষ্ট প্ৰক্ৰিয়া অনুসৰি সেই আবেদন বিবেচনা কৰা হ'ব আৰু সেই অনুসৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি বিজ্ঞপ্তিখনত উল্লেখ কৰা হৈছে। আনহাতে, ইতিমধ্যে ভোটাৰ তালিকাত নাম থকা কোনো ব্যক্তি উচ্ছেদ বা আন কোনো কাৰণত বাসস্থান স্থানান্তৰিত হ'লে তেওঁলোকে বৰ্তমান থকা এলেকাৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ নাম স্থানান্তৰৰ বাবে ৮ নম্বৰ প্ৰপত্ৰৰ জৰিয়তে আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত পঞ্জীয়নভুক্ত ভোটদাতাসকলৰ নাম বাদ পৰি যোৱাৰ কোনো আশংকা নাই বুলি বিজ্ঞপ্তিখনত স্পষ্ট কৰি দিয়া হৈছে।

ooooo

অসম প্ৰত্নতত্ব সঞ্চালকালয়ৰ উদ্যোগত কামৰূপ জিলাৰ চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ত মন্ত্ৰী যোগেন মহনে আজি **বিশ্ব ঐতিহ্য সপ্তাহ ২০২৫** মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীমহনে কয়, যে ৰাজ্য চৰকাৰে শিৱসাগৰৰ ঐতিহাসিক মঠ-মন্দিৰ আৰু ডিমা হাচাওৰ শৈল-ভাস্কৰ্য বিশ্ব ঐতিহ্যৰ স্বীকৃতিৰ বাবে প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে।

চৰাইদেউ জিলাতো স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পণ সমিতি চৰাইদেউৰ সহযোগত আজিৰ পৰা ২৫ নৱেম্বৰলৈ **বিশ্ব ঐতিহ্য সপ্তাহ ২০২৫**-ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি পুৱা চৰাইদেউ মৈদাম ক্ষেত্ৰত স্বচ্ছতা অভিযান চলোৱা হয়। এই ঐতিহ্য সপ্তাহৰ লগত সংগতি ৰাখি পৰ্যটকসকলৰ বাবে এখন ফটো প্ৰদৰ্শনী আৰু মৈদাম প্ৰাংগণত মৈদামসমূহৰ তথ্য সম্বলিত এখন প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। অহা ২৩ নৱেম্বৰত মৈদাম ক্ষেত্ৰত এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত প্ৰত্নতত্ব সঞ্চালকালয়ত পুৰাতত্ব সংৰক্ষক কংকনজ্যোতি শইকীয়াই এইদৰে কয়।

**বাইট (কংকন)**

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ দিন ঘোষণা কৰিছে। সেই অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা ১০ পৰা ২৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষাসমূহৰ সূচী পাছত ঘোষণা কৰা কৰা হ'ব।

শিক্ষা পৰিষদৰ অধীনৰ উচ্চতৰ মাধ্যমিকৰ কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমূলক শাখাৰ চূড়ান্ত পৰীক্ষা ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত হ'ব। ব্যৱহাৰিক পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব বুলি ৰাজ্যিক শিক্ষা পৰিষদৰ বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি ডিব্ৰুগড়ত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় নগৰ পানীযোগান প্ৰকল্প আৰু পয়ঃপ্ৰণালী পৰিশোধন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই পানীযোগান প্ৰকল্পই ডিব্ৰুগড় পৌৰ এলেকাৰ পানীৰ সমস্যা সমাধান কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পশ্চিম চৌহদৰ ডি ইউ হাট পাৰ্কিং এলেকাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন, অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ অধ্যক্ষ পুলক গোহাঁইকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত